# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-04-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। পশ্চিম এছিয়াত স্থায়ী শান্তি বাহালৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত পাকিস্তানৰ ৰাজধানী ইছলামাবাদত অনুষ্ঠিত আলোচনা সম্প্ৰসাৰিত কৰা হৈছে।

২। বিহাৰৰ কাটিহাৰ জিলাৰ বছগঢ়া চ'কৰ সমীপত হোৱা এটা পথ দুৰ্ঘটনাত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে।

৩। ৰাষ্ট্ৰীয় ঘাইপথৰ টোলপ্লাজাসমূহত অহা ১০ এপ্ৰিলৰ পৰা অকল ফাষ্টটেগ বা ইউ পি আই ব্যৱস্থাৰ মাধ্যমেৰেহে ধন আদায় দিব পৰা যাব বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। চৰকাৰে ডিজেলৰ ওপৰত আৰোপিত ৰপ্তানি শুল্ক প্ৰতি লিটাৰত ২১ টকা ৫০ পইচাৰ পৰা ৫৫ টকা ৫০ পইচালৈ বৃদ্ধি কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাই ছুপাৰ কিংছে ডেলহি কেপিটেলছক ২৩ ৰানত পৰাস্ত কৰে।

ooooo

পশ্চিম এছিয়াত স্থায়ী শান্তি বাহালৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত পাকিস্তানৰ ৰাজধানী ইছলামাবাদত অনুষ্ঠিত আলোচনা সম্প্ৰসাৰিত কৰা হৈছে আৰু এই আলোচনা আজিও অব্যাহত থাকিব। ১৫ ঘণ্টা জোৰা আলোচনাৰ প্ৰাথমিক পৰ্যায়ৰ, কিছু সময় পূৰ্বে সামৰণি পৰিছে। ইৰাণৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, বৰ্তমানৰ মতভেদ স্বত্বেও আলোচনা অব্যাহত আছে।

ইয়াৰ পূৰ্বে হোৱাইট হাউছ মহলে আমেৰিকা আৰু ইৰাণৰ মাজত কেইবা দশকৰ ভিতৰত এয়া উচ্চ পৰ্যায়ৰ প্ৰথমলানি প্ৰত্যক্ষ আলোচনা বুলি প্ৰকাশ কৰে। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কৈছে, যে ইৰাণৰ সৈতে চুক্তি হওক বা নহওক তেওঁৰ একো ক্ষতি নহয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীট্ৰাম্পে কয়, যে হৰমুজ প্ৰণালীত অভিযান চলি আছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইতিমধ্যে জয়লাভ কৰিছে বুলি তেওঁ দাবী কৰে।

ইফালে, ইৰাণৰ প্ৰথম উপ ৰাষ্ট্ৰপতি মহম্মদ ৰেজা আৰিফে আমেৰিকাই আলোচনাত ইজৰাইলৰ স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদান কৰিলে কোনো ধৰণৰ চুক্তিত উপনীত হ'ব পৰা নাযাব বুলি সকীয়াই দিছে।

আলোচনাত উপ ৰাষ্ট্ৰপতি জে দি ভেন্সে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি দলক নেতৃত্ব দিছে। তেওঁৰ সৈতে বিশেষ কটকী ষ্টিভ উইটক'ফ আৰু জেৰেড কুছনৰো আছে। ইৰাণৰ সংসদৰ অধ্যক্ষ আৰু প্ৰতিনিধি দলৰ মুৰববী

মহম্মদ বাকেৰ কৰিবাফ, বিদেশ মন্ত্ৰী আববাছ অৰাঘছি আৰু সৰ্বোচ্চ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ মুৰববী আলী বাঘেৰী কানিয়ে আলোচনাত অংশ লৈছে।

ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় কামাণ্ডে হৰমুজ প্ৰণালীক সামুদ্ৰিক মাইন মুক্ত কৰাৰ প্ৰয়াসৰ অংশহিচাপে নৌসেনাই ক্ষেপনাস্ত্ৰ বিধবংসী জাহাজ প্ৰণালীটোৰ মাজেৰে পাৰ হোৱা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ইৰাণৰ সশস্ত্ৰ বাহিনীসমূহে এই দাবী স্পষ্টভাৱে খণ্ডণ কৰিছে। তেওঁলোকে কৈছে, যে আমেৰিকাৰ কোনো জাহাজ হৰমুজ প্ৰণালীত প্ৰৱেশ কৰা নাই আৰু প্ৰণালীটোত ইৰাণৰ আধিপত্য অক্ষুন আছে।

ইপিনে, ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে এটা ভিডিঅ' বিবৃতি যোগে কয়, যে ইৰাণৰ বিৰুদ্ধে এতিয়াও অভিযানৰ অন্ত পৰা নাই। তেওঁ ইজৰাইলে ঐতিহাসিক সফলতা অৰ্জন কৰা আৰু ইৰাণৰ পাৰমাণিক অস্ত্ৰ আহৰণৰ আকাংক্ষা বিফল কৰা বুলি দাবী কৰে।

ooooo

বিহাৰৰ কাটিহাৰ জিলাৰ বছগঢ়া চ'কৰ সমীপত কালি সন্ধিয়া ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা এটা পথ দুৰ্ঘটনাত ১৩ জন লোকে প্ৰাণ হেৰুৱাই আৰু আন ভালেকেইজন লোক আহত হয়। এখন বাছ আৰু এখন পিকআপ ভেনৰ মুখামুখিকৈ খুন্দা লগাৰ ফলত এই অঘটনটো ঘটে। দূৰ্ঘটনাত এগৰাকী মটল চাইকেল আৰোহীয়ো নিহত হয়। আহতসকলক কোড়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পূৰ্ণিয়া চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। একাংশ স্থানীয় বাসিন্দাই প্ৰকাশ কৰা মতে, পিকআপ ভেনেৰে ভক্তৰ এটা দলে ঝাৰখণ্ডৰ এটা ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি পূৰ্ণিয়ালৈ আহি থকাৰ সময়তে বিপৰীত দিশৰ পৰা অহা এখন দ্ৰুত বেগী বাছে ভেনখনত সন্মুখৰ পৰা খুন্দা মাৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে এই দুৰ্ঘটনাৰ বাতৰিয়ে তেওঁক মৰ্মাহত কৰিছে। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশুআৰোগ্য কামনা কৰে।

উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনেও সামাজিক মাধ্যম যোগে দূৰ্ঘটনাত বলি হোৱা লোকসকললৈ সমবেদনা প্ৰকাশ কৰিছে আৰু আহতসকল শীঘ্ৰে সুস্থ হৈ উঠাৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাক দুখদায়ক আখ্যা দিছে। শ্ৰীমোদীয়ে এটা বাৰ্তা যোগে দুৰ্ঘটনাত আপোনজনক হেৰুওৱা শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশুআৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰেও দুৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। তেওঁ দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ আত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰাৰ কথাও ঘোষণা কৰিছে।

ooooo

ৰাষ্ট্ৰীয় ঘাইপথৰ টোলপ্লাজাসমূহত ১০ এপ্ৰিলৰ পৰা অকল ফাষ্টেগ বা ইউ পি আই ব্যৱস্থাৰ মাধ্যমেৰেহে ধন আদায়ৰ ব্যৱস্থা প্ৰযোজ্য হৈছে বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে অৱশ্যে অসম, তামিলনাডু, কেৰলম্, পশ্চিমবংগ, আৰু পুডুচেৰীত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত এই নিয়ম সম্প্ৰতি প্ৰযোজ্য নহয় বুলি স্পষ্ট কৰি দিছে।

ooooo

চৰকাৰে ডিজেলৰ ওপৰত আৰোপিত ৰপ্তানি শুল্ক প্ৰতি লিটাৰত ২১ টকা ৫০ পইচাৰ পৰা ৫৫ টকা ৫০ পইচালৈ বৃদ্ধি কৰিছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিমানৰ ইন্ধনৰ ওপৰত আৰোপিত ৰপ্তানি শুল্কও প্ৰতি লিটাৰত ২৯ টকা ৫০ পইচাৰ পৰা ৪২ টকালৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে পেট্ৰ'লৰ ওপৰত কোনো ধৰণৰ ৰপ্তানি শুল্ক আৰোপ নকৰাৰ সিদ্ধান্ত বাহাল থাকিব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

ooooo

ভাৰতীয় পতাকাযুক্ত জাহাজ জগ বিক্ৰম সফলতাৰে পাৰস্য উপসাগৰীয় এলেকা পাৰ হৈ আহিছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। এই জাহাজখনত ২৪ গৰাকী ভাৰতীয় নাৱিক আছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীসোণোৱালে কয়, যে এই মালবাহী জাহাজখনত ২০ হাজাৰ চাৰিশ মেট্ৰিক টনতকৈও অধিক এল পি জি কঢ়িয়াই অনা হৈছে। অহা ১৫ এপ্ৰিলত জাহাজখন ভাৰতত উপস্থিত হোৱাৰ সম্ভাৱনা আছে।

ooooo

বিদেশ মন্ত্ৰী ডং এছ জয়শংকৰে দুদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰ ভ্ৰমণ কৰিছে। এই ভ্ৰমণৰ সময়ত তেওঁ কালি ইউ এ ইৰ উপ প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী শ্বেইখ আব্দুল্লাহ বিন ছায়েদ অল ন্যাহয়ানক সাক্ষাও কৰি অঞ্চলটোৰ পৰিস্থিতিৰ পৰিৱৰ্তন আৰু ইয়াৰ প্ৰভাৱে সম্পৰ্কে আলোচনা কৰে। ডং জয়শংকৰে ভাৰতীয় সম্প্ৰদায়ৰ সুৰক্ষা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে ইউ এ ই চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বাবে দেশখনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। সাক্ষাৎকালত দুয়োপক্ষই উভয় দেশৰ মাজৰ সহযোগিতাৰ দিশসমূহৰ পৰ্যালোচনা কৰাৰ লগতে ব্যাপক কৌশলগত অংশীদাৰিত্ব অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কেও আলোচনা কৰে। ডং জয়শংকৰে দেশখনত উপস্থিতি হোৱাৰ পিছতে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজতে অঞ্চলটোত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ কল্যাণ আৰু সুৰক্ষাৰ বাবে ভাৰত চৰকাৰৰ প্ৰয়াস সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে তেওঁলোকক অৱগত কৰে।

বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পশ্চিম এছিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিৰ মাজত ভাৰতৰ শক্তি সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চলোৱাৰ প্ৰচেষ্টাৰ অংশ হিচাপে ডং জয়শংকৰ আৰু কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে উপ সাগৰীয় ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে ডেলহি কেপিটেলছক ২৩ ৰানত পৰাস্ত কৰে। এইবাৰৰ প্ৰতিযোগিতাত দলটোৰ এয়া প্ৰথম জয়। চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি সঞ্জু ছেমছনৰ অনবদ্য ১১৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২১২ ৰান সংগ্ৰহ কৰে। ছেমছনে ৫৬টা বলত ১১৫ কৰি আউট নোহোৱাকৈ

থাকে আৰু আয়ুছ মাহাত্রে ৫৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দিল্লীৰ হৈ ট্ৰিষ্টন ষ্টব্ছে সৰ্বাধিক ৬০ ৰান কৰে। চেন্নাইৰ হৈ জেমি অ'ৱৰটনে চাৰিটা উইকেট দখল কৰে। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি নিউ চণ্ডীগড়ৰ মূল্লানপুৰত অনুষ্ঠিত আন এখন খেলত পাঞ্জাব কিংছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি অভিষেক শৰ্মাৰ ৭৪ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পঞ্জাব কিংছে ১৯ অভাৰ ৫টা বলত চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। পঞ্জাবৰ হৈ অধিনায়ক শ্ৰেয়াষ আয়াৰে ৩৩টা বলত ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। এই প্ৰদৰ্শনৰ সুবাদত পঞ্জাব কিংছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত ১০বাৰ ২০০ৰো অধিক ৰান সফলতাৰে অনুসৰণ কৰি জয়লাভ কৰা প্ৰথমটো দল ৰূপে পৰিগণিত হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

ooooo

কিৰ্গিস্তানৰ বিচকেকত চলি থকা এছিয়ান মল্লযুদ্ধ প্ৰতিযোগিতাৰ পুৰুষৰ ৬৫ কিলোগ্ৰাম আৰু ৭০ কিলোগ্ৰাম ফ্ৰী ষ্টাইল শিতানত ভাৰতৰ সুজিত কালকাল আৰু অভিমন্যু মণ্ডলে সোণৰ পদক অৰ্জন কৰিছে। সুজিতে ৬৫ কিলোগ্ৰামৰ শিতানৰ ফাইনেলত উজবেকিস্তানৰ উমিডজন জাল'লভক ৮-১ ফলাফলত পৰাস্ত কৰে। ২০১৯ চনত বজৰং পুনিয়াই এই শিতানত সোণৰ পদক লাভ কৰাৰ পাছত সুজিতেই এই শিতানত পুনৰ সোণৰ পদক পোৱা প্ৰথমজন ভাৰতীয়। চলিত বছৰত সুজিতৰ এয়া তৃতীয়টো সোণৰ পদক। ৭০ কিলোগ্ৰামৰ ফাইনেলত অভিমন্যু মণ্ডলে মংগোলিয়াৰ ট'মোৰ অ'ছিৰিন টুলগাক ৫-৩ ফলাফলত পৰাস্ত কৰে। এই প্ৰতিযোগিতাত ভাৰতে এতিয়ালৈকে দুটা সোণ আৰু চাৰিটা ৰূপৰ পদক সহ ১৪টা পদক লাভ কৰিছে।

ooooo

**সমাপ্ত**